# A PROJECT REPORT ON HEALTH CARE OF WOMEN WORKERS TOWARDS THEIR CHILD AT RAJMAI TEA ESTATE OF SIVASAGAR DISTRICT

**A Project Report submitted to Dibrugarh University for**
**B.A. degree in Education Honours**
**(CBCS) for the Course Discipline Specific Elective:**
**DSE 4 (PROJECT REPORT)**

Examined
17/05/24
External Examiner

**Submitted by**
**RIMI BORUAH**
**Roll No: 30410042**
**Registration No.: S2131966**
**Registration Year : 2021-22**
**6th Semester B.A. Examination (CBCS)**
**Education Honours**

**Hem Chandra Dev Goswami College, Nitaipukhuri, Sivasagar**
**2024**

# প্ৰমাণ পত্ৰ

তাৰিখঃ ২৭/০৫/২০২৪

**"শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলৰ সন্তানৰ প্ৰতি স্বাস্থ্য প্ৰতিপালন সম্পৰ্কে এক প্ৰকল্প প্ৰতিবেদন"** শীৰ্ষক এই অধ্যয়ন শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ /ছাত্ৰী.......বিম্মি বৰুৱায়ে....... সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ ষান্মাসিকৰ শিক্ষাতত্ত্ব (সন্মান) বিষয়ৰ অষ্টাদশ কাকত **'প্ৰকল্প প্ৰতিবেদন'** (Project Report) Paper Code DSE-4 ৰ উপযোগীকৈ প্ৰস্তুত কৰে আৰু শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

**বিভাগীয় মুৰব্বী**

Head

শিক্ষা বিভাগ

Deptt. of Education

H.C.D.G. College, Nitaipukhuri

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

# প্ৰমাণ পত্ৰ

তাৰিখঃ 16/05/2024

**“শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলৰ সন্তানৰ প্ৰতি স্বাস্থ্য প্ৰতিপালন সম্পৰ্কে এক প্ৰকল্প প্ৰতিবেদন”** শীৰ্ষক এই অধ্যয়ন মোৰ তত্ত্বাৱধানত শিক্ষা বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ /ছাত্ৰী.........বিমি বৰুৱা.........ইয়ে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ ষাণ্মাসিকৰ শিক্ষাতত্ব (সন্মান) বিষয়ৰ অষ্টাদশ কাকত **‘প্ৰকল্প প্ৰতিবেদন’** (Project Report) Paper Code DSE-4 ৰ উপযোগীকৈ প্ৰস্তুত কৰে আৰু শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

**তত্ত্বাৱধায়ক**<br>
**শিক্ষা বিভাগ**<br>
**হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়**

# ঘোষণা পত্ৰ

অনুসন্ধানকাৰীয়ে **"শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলৰ সন্তানৰ প্ৰতি স্বাস্থ্য প্ৰতিপালন সম্পৰ্কে এক প্ৰকল্প প্ৰতিবেদন"** বিষয়ৰ ওপৰত নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ নিজাভাৱে সংগ্ৰহ কৰা তথ্য সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু শিক্ষা বিভাগলৈ স্নাতক উপাধিৰ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

বিদ্মি বৰুৱা

**অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ**

# কৃতজ্ঞতা পত্ৰ

তাৰিখঃ ১৭/০৩/২০২৪

পোন প্ৰথমে এই অধ্যয়নত মোক বিভিন্ন দিশত সহায় কৰা লীনা দত্ত বাইদেউলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা মানসী গগৈ বাইদেউ, ড° ৰশ্মিৰেখা দুৱৰা বাইদেউ আৰু গৌৰী শিখা গগৈ বাইদেউক তেওঁলোকৰ সহযোগিতাৰ বাবে ধন্যবাদ জনাইছো।

অধ্যয়নটো আগবঢ়াই নিবলৈ অনুমতি প্ৰদান কৰাৰ কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰকৃতজ্ঞ।

অধ্যয়নটোৰ কাৰণে প্ৰয়োজন হোৱা তথ্য তথা সমলসমূহ প্ৰদানৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাৰ ১০ নং লাইন বাগিচাত কৰ্মৰত প্ৰত্যেকগৰাকী ব্যক্তিকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অৱশেষত এই অধ্যয়নটোত সহায় কৰা প্ৰত্যেক গৰাকী ব্যক্তিলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ৰিমি বৰুৱা

অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ

# সূচীপত্র


| | পৃষ্ঠা নং |
|---|---|
| প্ৰমাণপত্ৰ- I | i |
| প্ৰমাণপত্ৰ-II | ii |
| ঘোষণাপত্ৰ | iii |
| কৃতজ্ঞতাপত্ৰ | iv |
| তালিকাসূচী | v |
| **অধ্যায়- ১ ঃ আৰম্ভণি** | ১-২ |
| ১.০ শিৰোনাম | |
| ১.১ আৰম্ভণি | |
| ১.২ অধ্যয়নৰ যুক্তিযুক্ততা | |
| ১.৩ অধ্যয়নত ব্যৱহৃত মূল শব্দসমূহৰ সংজ্ঞা | |
| ১.৪ অধ্যয়নৰ উদ্দেশ্য | |
| **অধ্যায়- ২ ঃ বিষয়বস্তু সম্পৰ্কীয় পূৰ্বৰ অধ্যয়ন** | ৩ |
| ২.০ আৰম্ভণি | |
| ২.১ চাহ জনগোষ্ঠী সম্পৰ্কীয় পূৰ্বৰ অধ্যয়ন | |
| ২.২ চাহ জনগোষ্ঠী সম্পৰ্কীয় অধ্যয়নৰ সাৰাংশ | |
| **অধ্যায়- ৩ ঃ প্ৰণালীতত্ত্ব** | ৪ |
| ৩.০ পদ্ধতি আৰু নিয়মাৱলী | |
| ৩.১ সঁজুলি আৰু কৌশল | |
| ৩.২ তথ্য সংগ্ৰহ প্ৰণালী | |
| ৩.৩ তথ্য বিশ্লেষণ প্ৰণালী | |
| ৩.৪ অধ্যয়নৰ সীমাবদ্ধতা | |
| **অধ্যায়- ৪ ঃ তথ্যৰ বিশ্লেষণ** | ৫-৮ |
| ৪.০ ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলৰ নিজ সন্তানৰ প্ৰতি গ্ৰহণ কৰা স্বাস্থ্য যত্ন ব্যৱস্থা সম্পৰ্কে অধ্যয়নৰ ফলাফল | |
| ৪.১ অধ্যয়নৰ ফলাফল আৰু বিশ্লষণ | |
| ৪.২ ৰাজমাই চাহ বাগিচাৰ শিশুৰ কাৰণে চিকিৎসা ব্যৱস্থা | |
| **অধ্যায়- ৫ ঃ সামৰণি** | ৯-১০ |
| ৫.০ অধ্যয়নৰ ফলাফল | |
| ৫.১ সামৰণি | |
| গ্ৰন্থপঞ্জী | |
| পৰিশিষ্ট | |



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# তালিকাসূচী


| তালিকা | | পৃষ্ঠা |
| --- | --- | --- |
| তালিকা -১ | ঃ কৰ্মৰত মাতৃৰ কাৰণে প্ৰস্তুত কৰা সাক্ষাৎকাৰসূচীৰ প্ৰশ্নসমূহ বিভক্ত কৰা কাৰক | ৫ |
| তালিকা -২ | ঃ মহিলা নমুনা দলৰ স্বাস্থ্য সম্পৰ্কে সজাগ হোৱাৰ উৎসৰ ভিত্তিত শতাংশ হাৰ | ৫ |
| তালিকা -৩ | ঃ মহিলাসকলৰ সন্তানে সুস্বাস্থ্য বজাই ৰখাৰ বাবে পালন কৰা অভ্যাস | ৬ |
| তালিকা -৪ | ঃ সন্তানৰ সুস্বাস্থ্যৰ কাৰণে গ্ৰহণ কৰা সাৱধানতা | ৬ |
| তালিকা -৫ | ঃ সন্তানে অধ্যয়ন কৰা বিদ্যালয়ত স্বাস্থ্যৰক্ষাৰ ব্যৱস্থা | ৬ |
| তালিকা -৬ | ঃ কৰ্মৰত মহিলা সকলৰ সন্তানে আক্ৰান্ত হোৱা ৰোগৰ শতাংশৰ হাৰ | ৭ |
| তালিকা -৭ | ঃ সুস্বাস্থ্যৰ কাৰণে সন্তানসকলে ঘৰত পালন কৰা অভ্যাসসমূহ | ৭ |


# পৰিশিষ্টৰ তালিকা


পৰিশিষ্ট - ১ ঃ মাতৃৰ সাক্ষাৎকাৰসূচী

পৰিশিষ্ট - ২ ঃ চিকিৎসা কৰ্মীৰ সাক্ষাৎকাৰসূচী

পৰিশিষ্ট - ৩ ঃ আলোকচিত্ৰ


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# অধ্যায় — ১

## ১.০ শিৰোনাম (Title) ঃ

শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলৰ সন্তানৰ প্ৰতি স্বাস্থ্য প্ৰতিপালন সম্পৰ্কে এক প্ৰকল্প প্ৰতিবেদন। (A project report on health care of women workers towards their child at Rajmai Tea Estate of Sivasagar district)

## ১.১ আৰম্ভণি (Introduction) ঃ

স্বাস্থ্য মানৱ জীৱনৰ কাৰণে আটাইতকৈ মূল্যবান সম্পদ। সুস্বাস্থ্যই বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে। শিক্ষাৰ দ্বাৰা সুস্বাস্থ্য গঠন কৰিব পাৰি। বিদ্যালয়ে শিশুৰ স্বাস্থ্য গঠনত প্ৰভাৱশালী প্ৰভাৱ পেলায়। অভিভাৱকে মৌলিক স্বাস্থ্য সম্পৰ্কীয় অভ্যাসসমূহ দৈনন্দিন কৰ্তব্য হিচাপে কৰিবলৈ দি সন্তানৰ স্বাস্থ্যৰক্ষাৰ যতন লয়। বহুতো সন্তানে শৈশৱৰ পৰা কৈশোৰ পৰ্যায়লৈ গতি কৰাৰ লগে লগে পিতৃ-মাতৃৰ পৰা গ্ৰহণ কৰা প্ৰাথমিক প্ৰশিক্ষণবোৰ আওকাণ কৰে। গৃহশিক্ষা আৰু বিদ্যালয়ৰ পৰা পোৱা শিক্ষাক আওকাণ কৰি বদঅভ্যাস সমূহ পালন কৰিবলৈ লোৱাৰ ফলতে স্বাস্থ্য বেয়াৰ দিশলৈ ধাৱমান হয়। পিতৃ-মাতৃয়ে অতি নিবিড়ভাৱে নিৰীক্ষণ নকৰা আৰু সমনীয়াদলৰ কু-আচৰণৰ প্ৰভাৱতো স্বাস্থ্য সজাগতা হ্ৰাস পাব ধৰে। যিহেতু শিশুসকল এখন দেশৰ ভৱিষ্যত প্ৰগতিৰ বাহক, সেয়ে প্ৰতিজন শিশু সম্পদৰ স্বাস্থ্য ৰক্ষাৰ সৰ্বতোপ্ৰকাৰ যতন লোৱাটো পিতৃ-মাতৃ, শিক্ষক, সমাজ সচেতন ব্যক্তি তথা প্ৰশাসনৰ দায়িত্ব।

বিশ্ব স্বাস্থ্য সংস্থাই স্বাস্থ্য সম্পৰ্কে সংজ্ঞা আগবঢ়াইছে যে— “স্বাস্থ্য হৈছে সম্পূৰ্ণ শাৰীৰিক, মানসিক আৰু সামাজিক সুস্থতাৰ অৱস্থা আৰু কেৱল ৰোগ বা অসুস্থতাৰ অনুপস্থিতি নহয়।” সুস্বাস্থ্যই মানসিক সুস্থতা বৃদ্ধি কৰে, মানসিক চাপ হ্ৰাস কৰে আৰু জীৱনৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ স্থিতিস্থাপকতা বৃদ্ধি কৰে। বিজ্ঞান আৰু চিকিৎসা বিজ্ঞানৰ গৱেষণালব্ধ অধ্যয়নসমূহে প্ৰাণীৰ স্বাস্থ্যৰক্ষাৰ ক্ষেত্ৰত অভূতপূৰ্ব পৰিবৰ্তন সাধন কৰিছে।

শাৰীৰিক স্বাস্থ্যই হৃদযন্ত্ৰৰ যোগ্যতা, পেশীৰ শক্তি, নমনীয়তা আৰু শৰীৰৰ গঠনক সাঙুৰি লয়। ৰোগ প্ৰতিৰোধ আৰু সক্ৰিয় জীৱনশৈলী গঢ়ি তোলাত শাৰীৰিক স্বাস্থ্যৰ গুৰুত্ব অধিক। সামাজিক স্বাস্থ্যই সামাজিক, পাৰস্পৰিক কাৰ্যকলাপ সংযোগ স্থাপনত অৰিহণা যোগায়। মানসিক স্বাস্থ্যই আৱেগিক সুস্থতা, জ্ঞানমূলক কাৰ্যকলাপ, মানসিক স্থিতিস্থাপকতাক সামৰি লয়। জীৱনত অৰ্থপূৰ্ণ সন্তুষ্টি আৰু সামগ্ৰিক সুখৰ কাৰণে ভাল স্বাস্থ্যৰ অতি আৱশ্যক।

অসমৰ সমাজ জীৱনৰ এক অন্যতম বৃহৎ অংশ হৈছে চাহ জনগোষ্ঠী। বৰ্তমান অসমত তেওঁলোকৰ জনসংখ্যা যথেষ্ট সৰহ। অসমত ৮০৩ খন চাহ বাগিচা আছে। তাৰে ৮৫ খন বাগিচা শিৱসাগৰ জিলাৰ পৰিসীমাৰ ভিতৰত অৱস্থিত। ৰাজমাই চাহ বাগিচা শিৱসাগৰ জিলাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে বিস্তৃত হৈ আছে। তাত বাস কৰা চাহ জনগোষ্ঠীয় লোকসকলৰ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলৰ নিজ সন্তানৰ স্বাস্থ্য সজাগতা সম্পৰ্কে এক অধ্যয়নে তেওঁলোকৰ জীৱনশৈলী, শৈক্ষিক প্ৰভাৱ, পৰিৱেশীয় প্ৰভাৱ, চিকিৎসাসেৱা, সামাজিক কাৰক, আচৰণ আদি দিশত প্ৰণালীবদ্ধ আৰু বাস্তৱসন্মত আভাস দাঙি ধৰিব। স্বাস্থ্যৰক্ষাৰ সু-আচৰণসমূহে তেওঁলোকৰ সামাজিক উন্নয়নৰ চানেকি দাঙি ধৰাৰ লগতে অনুকৰণীয় দিশসমূহ নিৰ্ধাৰণ কৰাত সহায় কৰিব।

## ১.২ অধ্যয়নৰ যুক্তিযুক্ততা (Rationale of the study) ঃ

বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চাহ-জনগোষ্ঠীৰ লোকসকলে বিশেষ ভূমিকা পালন কৰি আহিছে। উনবিংশ শতিকাত বৃটিছ শাসকসকলে অসমৰ চাহ উদ্যোগ আৰু বাগিচাসমূহত কাম কৰিবলৈ ঝাৰখণ্ড, ওড়িশা, ছত্তীছগড়, পশ্চিংবংগ, বিহাৰ আৰু অন্ধ্ৰপ্ৰদেশৰ পৰা অনা জনজাতীয় আৰু আদিবাসী লোকসকলৰ যিসকলে নিজ ঠাইলৈ পৰৱৰ্তীকালত উভতি নগৈ অসমতে নিজ ভূমি বুলি ভাবি নিগাজিকৈ থাকি গ'ল সেই শ্ৰমিকসকলেই চাহ জনগোষ্ঠীৰূপে পৰিচিত হ'ল। ভিন ভিন জাতি-জনগোষ্ঠীৰ হোৱা বাবে তেওঁলোকৰ ভাষা আৰু সংস্কৃতিৰ বৈচিত্ৰ্য বিদ্যমান যদিও বৰ্তমান তেওঁলোকৰ এক সংমিশ্ৰিত উমৈহতীয়া ভাষা আৰু সংস্কৃতি গঢ় লৈ উঠিছে। তেওঁলোকৰ জনগাঁথনি সমগ্ৰ অসমত ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা আৰু বড়োলেণ্ড স্বায়ত্ত শাসিত অঞ্চলত বিস্তৃত হৈ আছে। অসমৰ পৰিৱৰ্তিত ৰাজনীতি আৰু আৰ্থ সামাজিক দিশত তেওঁলোকৰ অৱদান বিদ্যমান। সৰহ সংখ্যক চাহ জনগোষ্ঠীৰ ব্যক্তি বাগিচাৰ এলেকাৰ ভিতৰতে বাস কৰে। তেওঁলোকৰ হিন্দু আৰু খ্ৰীষ্টান ধৰ্মৰ লোক আছে। চাহ জনগোষ্ঠীৰ বিভিন্ন উপজাতি আছে। অসমীয়া ভাষা-সংস্কৃতিক সাঙুৰি ল'লেও তেওঁলোকৰ এক নিজস্ব পৰিচয় আছে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাত বসবাস কৰা লোকসকলৰ স্বাস্থ্যৰ যতন অভ্যাস সম্পৰ্কে জনাত এই অধ্যয়নৰ পৰা উপকৃত হ'ব পৰা যাব।

আমি জানো যে অসমত চাহ জনগোষ্ঠীৰ লোকসকল বৃটিছসকল অহাৰ দিনাৰ পৰাই বসবাস কৰি আছে আৰু সেইসময়ত তেওঁলোকৰ বহু সংখ্যক লোকেই নিৰক্ষৰ যদিও বৰ্তমান সময়ত বহুলোক শিক্ষিত হ'বলৈ সক্ষম হোৱা দেখা যায়। যদিও কোনোবাখিনিত তেওঁলোকে স্বাস্থ্যৰ প্ৰতি যিমান সজাগ হ'ব লাগে, তাৰ বিপৰীত দিশটোহে দেখা যায়। সেয়ে পৰিবৰ্তিত সময়ৰ প্ৰেক্ষাপটত অসমত বসবাস কৰা চাহ জনগোষ্ঠী লোকসকলে স্বাস্থ্যৰ প্ৰতি কেনেদৰে সচেতন হৈছে তাৰ আভাস দাঙি ধৰিব।

চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে কেইবাখনো আইন প্ৰস্তুত কৰা হৈছে। চাহগছ ৰোপণ শ্ৰমিক আইন ১৯৫১ আৰু অসম বৃক্ষৰোপণ আইন নীতি, ১৯৫৬ অনুসৰি অসমৰ চাহ বাগিচাৰ স্বাস্থ্য যত্ন সেৱাৰ দায়িত্ব চাহ বাগিচাৰ পৰিচালনা সমিতি। সেই অনুপাতে চাহ কৰ্মীসকলৰ স্বাস্থ্যৰ যতন বা পৰীক্ষা-নিৰীক্ষা লোৱা হৈছেনে নাই সেই সম্পৰ্কে অধ্যয়ন কৰাত উক্ত প্ৰকল্প বিষয়ত গুৰুত্ব দিয়া হৈছে।

**১.৩ অধ্যয়নত ব্যৱহৃত মূল শব্দসমূহৰ সংজ্ঞা(Definition of terms) ঃ**

**১.৩.১ ৰাজমাই চাহ বাগিচা ঃ** শিৱসাগৰ জিলাৰ মুখ্য সদৰৰ পৰা ১৮ কিঃমিঃ পূবলৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে বিস্তৃত ৰাজমাই চাহ বাগিচাখন বহুভাষী জনজাতীয় আৰু আদিবাসীলোকৰ বসতিস্থল। চাহ খেতিৰ কাৰণে উপযুক্ত জলবায়ু আৰু মাটিৰ ঢালেৰে পৰিৱেষ্টিত বাগিচাখন কলিকতা অধীনস্থ Williamson Magor Groupsৰ Mcleod Russel India Limited ৰ অন্তৰ্গত। বাগিচাৰ পূবে ডিমৌ, পশ্চিমে ৰজাবাৰী, উত্তৰে খৰাহাট চাহ বাগিচা আৰু দক্ষিণে (পানীদিহিং পক্ষী অভয়াৰণ্য) পালেঙী আৰু থাওৰা অৱস্থিত। বাগিচাখন লগুৱাবাৰী, শেনছোৱা, ৭ নং লাইন আৰু ১০ নং লাইন নামেৰে চাৰিটা ভাগত বিভক্ত।

**১.৩.২ মহিলা চাহ শ্ৰমিক ঃ** চাহ বাগিচাত স্থায়ীভাৱে বসতি কৰা আৰু চাহ উৎপাদনত নিয়োজিত মহিলা শ্ৰমিক সকলক মহিলা চাহ শ্ৰমিক বুলি কোৱা হয়। উক্ত অধ্যয়নত শিৱসাগৰ জিলাত অৱস্থিত ৰাজমাই চাহ বাগিচাত চাহপাত তোলা কামত নিয়োজিত মহিলাসকলক বুজোৱা হৈছে।

**১.৩.৩ স্বাস্থ্য প্ৰতিপালন** (Health Care) ঃ

স্বাস্থ্য প্ৰতিপালন ধাৰণাই মানুহৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য ভালে ৰাখিবলৈ গ্ৰহণ কৰা ব্যৱস্থাৱলীক বুজায়। উক্ত অধ্যয়নত স্বাস্থ্য প্ৰতিপালন ধাৰণাই ৰাজমাই চাহ বাগিচাৰ মহিলা চাহ শ্ৰমিকসকলৰ তেওঁলোকৰ শিশু সন্তানৰ, বিশেষকৈ জন্মৰপৰা ১৮ বছৰ পৰ্যন্ত সন্তানৰ ৰোগ প্ৰতিৰোধ, নিৰাময়, চিকিৎসা আৰু যত্নৰ কাৰণে গ্ৰহণ কৰা কাৰ্যসমূহক অভিহিত কৰিছে।

**১.৪ অধ্যয়নৰ উদ্দেশ্য** (Objectives of Study) ঃ

প্ৰকল্পৰ বিষয়বস্তু অধ্যয়নৰ কাৰণে নিৰ্ধাৰণ কৰা উদ্দেশ্য হৈছে—

(১) শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা চাহ শ্ৰমিকসকলৰ তেওঁলোকৰ ০-১৮ বছৰ বয়সৰ সন্তানসকলৰ স্বাস্থ্য সুৰক্ষাৰ কাৰণে গ্ৰহণ কৰা প্ৰতিপালন ব্যৱস্থা সম্পৰ্কে অধ্যয়ন কৰা।

(২) ৰাজমাই চাহ বাগিচা চিকিৎসালয়ত চিকিৎসা কৰ্মীসকলে শিশু আৰু কিশোৰৰ স্বাস্থ্য যত্নৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে অধ্যয়ন কৰা।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# অধ্যায় — ২

## ২.০ আৰম্ভণি (Introduction)

স্বাস্থ্য মানুহৰ জীৱনৰ গুৰুত্বপূৰ্ণ দিশ। ব্যক্তিৰ দৈনন্দিন জীৱনত সুস্বাস্থ্যৰ গুৰুত্ব আছে। ভাৰতবৰ্ষত পৰম্পৰাগত চিকিৎসাই ৰোগ নিৰাময় আৰু ব্যক্তিৰ কল্যাণ সাধনৰ কাৰণে বৰঙণি আগবঢ়াই আহিছে। বৰ্তমান বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে জৈৱ-চিকিৎসা ব্যৱস্থাৰ উন্নয়ন হৈছে। জলবায়ু, জীৱনশৈলীৰ অভ্যাস, পানী-আহাৰৰ মানদণ্ড, অভ্যাস, মানসিক অৱস্থা আদিয়েও স্বাস্থ্যত প্ৰভাৱ পেলায়।

অসমত বাস কৰি অহা ভিন্ন ভাষা, সংস্কৃতি, পৰম্পৰা, সামাজিক ৰীতি-নীতি আৰু ভিন্ন পৰিচয়ৰ জনগোষ্ঠীসমূহৰ ভিতৰত চাহ জনগোষ্ঠী অন্যতম। চাহ জনগোষ্ঠীসকলৰ ভিন্ন উপজাতিৰ ভিতৰত ওৰাং, মুণ্ডা, চাওতাল, কুৰ্মী, তাঁতী, ঘাটোৱাৰ, গোৱালা, কৈৰী, ভূমিজ, লোহাৰ, হাড়ী, ৰোহিদাস আদিয়েই প্ৰধান। কৰম, টুচু, সঁহৰাই চাহ-জনগোষ্ঠীৰ লোকসকলৰ প্ৰধান উৎসৱ। চাহ-জনগোষ্ঠীয় উঠি অহা প্ৰজন্মৰ স্বাস্থ্য সচেতনতা সম্পৰ্কে অধ্যয়নত কৰ্মৰত মাতৃসকলৰ ভূমিকা আৰু তেওঁলোকৰ শৈক্ষিক প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ দিশ। বিষয়বস্তুৰ অধ্যয়নৰ কাৰণে অধ্যয়নসমূহ ফঁহিয়াই চোৱা হৈছে।

## ২.১ ঃ চাহ জনগোষ্ঠী সম্পৰ্কীয় পূৰ্বৰ অধ্যয়ন (Review of related literature of Tea Tribe) ঃ

সাহিত্য একাডেমী যুৱ পুৰস্কাৰপ্ৰাপ্ত প্ৰবন্ধকাৰ ড° কমল কুমাৰ তাঁতীয়ে 'অসমৰ চাহ-জনগোষ্ঠী আদিবাসীসকল ঃ ঐতিহাসিক প্ৰেক্ষাপট আৰু সমসাময়িক সমস্যা' শীৰ্ষক প্ৰবন্ধত চাহ-জনগোষ্ঠীয় লোকসকলৰ প্ৰব্ৰজন, বুৰঞ্জী, সংস্কৃতি আৰু ভাষা সম্পৰ্কে সম্যক আলোচনা দাঙি ধৰিছে।

উষা শইকীয়াই ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত 'অসমৰ চাহ-জনগোষ্ঠীসকলৰ দৰিদ্ৰতা আৰু স্বাস্থ্য অৱস্থা আৰু তেওঁলোকৰ উন্নয়নমূলক দিশসমূহ' শীৰ্ষক বিষয়ত গৱেষণা কৰি ফলাফল লাভ কৰে যে চাহ-জনগোষ্ঠীসকলৰ মজুৰি গাঁঠনি কম পৰিমাণৰ। তেওঁলোকৰ মাজত স্বাস্থ্য সম্পৰ্কীয় সজাগতা আৰু শিক্ষাৰ মানদণ্ড কম। বাগানৰ চিকিৎসালয়ত বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় সুবিধা দিয়া হয় যদিও দৰিদ্ৰতাই বহু সমস্যাৰ সৃষ্টি কৰে।

## ২.২ ঃ চাহ জনগোষ্ঠী সম্পৰ্কীয় অধ্যয়নৰ সাৰাংশ (Summary of studies on Tea Tribe) ঃ

চাহ-জনগোষ্ঠীয় লোকসকলৰ লোক-সংস্কৃতি, ভাষা আৰু কম বয়সীয়া মাতৃসকলৰ স্বাস্থ্য সম্পৰ্কে কেইবাটাও গৱেষণামূলক অধ্যয়ন হৈছে। আনহাতে, শিশু আৰু কিশোৰৰ স্বাস্থ্য সম্পৰ্কে কম পৰিসৰত অধ্যয়ন আৰু চৰ্চা হৈছে। অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰনালয় আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ (National Health Mission) অধীনত চাহ-বাগান অঞ্চলৰ কিশোৰসকলৰ প্ৰাথমিক স্বাস্থ্য যত্নৰ পদক্ষেপ লোৱা হৈছে। চাহ বাগান অঞ্চলত কিশোৰ ল'ৰা-ছোৱালীৰ (১২-১৮ বছৰ বয়সৰ) ৰক্তহীনতা এক প্ৰধান শাৰীৰিক সমস্যা। যিবোৰ পৰিয়ালত দীৰ্ঘদিনীয়া মানসিক চাপ থাকে, তেনে পৰিয়ালৰ স্বাস্থ্যৰ অভ্যাসবোৰৰ স্খলন ঘটে। সেয়ে পৰিয়ালৰ সামাজিক পৰিৱেশৰ অধ্যয়ন কৰাও প্ৰয়োজনীয়। কিশোৰ-কিশোৰীসকলৰ স্বাস্থ্য যত্নত শিক্ষক আৰু অভিভাৱকৰ দায়িত্ব তথা আদৰ্শগত প্ৰভাৱেও সহায় কৰে। এক সঠিক পৰিমাণৰ স্বাধীনতা, নিৰাপত্তা আৰু অভিভাৱকত্বৰ সংমিশ্ৰণেহে শিশু তথা কিশোৰৰ শাৰীৰিক, মানসিক আৰু অধ্যাত্মিক উৎকৰ্ষ সাধন কৰে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# অধ্যায় — ৩

## ৩.০ পদ্ধতি আৰু নিয়মাৱলী (Methods and Procedures)

প্ৰকল্পৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্য বৰ্ণানামূলক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। অধ্যয়নৰ কাৰণে সমল সংগ্ৰহ কৰিবলৈ শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাক ক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰি জৰীপ কাৰ্য সম্পাদন কৰা হৈছে।

## ৩.১ সঁজুলি আৰু কৌশল (Tools and Technique)

প্ৰকল্পৰ তথ্য সংগ্ৰহ কৰিবলৈ প্ৰস্তুতকৰ্তাই নিজে সঁজুলি প্ৰস্তুত কৰি নমুনা দলৰ ওপৰত প্ৰয়োগ কৰা হৈছে—

ক) **কৰ্মৰত মাতৃৰ সাক্ষাৎকাৰসূচী ঃ** শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচা লোকসকলৰ স্বাস্থ্য ৰক্ষা সম্পৰ্কে অধ্যয়ন কৰিবলৈ ১৬ টা প্ৰশ্ন সম্বলিত এখন সাক্ষাৎকাৰসূচী প্ৰস্তুত কৰা হয়। সাক্ষাৎকাৰসূচীৰ প্ৰশ্নসমূহ ৫ টা কাৰকত ভাগ কৰা হৈছে।

খ) **চিকিৎসা কৰ্মীৰ সাক্ষাৎকাৰসূচী ঃ** ৰাজমাই চাহ বাগিচাৰ চিকিৎসা কৰ্মী সকলক শিশু স্বাস্থ্য যত্ন আৰু উপলব্ধ সেৱা সম্পৰ্কে তথ্য সংগ্ৰহৰ উদ্দেশ্যে এখন সাক্ষাৎকাৰসূচী প্ৰয়োগ কৰা হয়। সাক্ষাৎকাৰসূচীত ৩টা প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

## ৩.২ তথ্য সংগ্ৰহ প্ৰণালী (Procedure of collection of data) ঃ

প্ৰকল্প প্ৰস্তুত কৰ্তাই তথ্য সংগ্ৰহৰ কাৰণে প্ৰাথমিক উৎস আৰু গৌণ উৎসৰ সহায় লৈছে। প্ৰকল্প প্ৰস্তুত কৰ্তাই ৰাজমাই চাহ বাগিচাত তথ্য সংগ্ৰহৰ উদ্দেশ্যে ২২ মাৰ্চ ২০২৪ বৰ্ষত উপস্থিত হৈছিল। নিৰ্বাচিত নমুনা দলক সাক্ষাৎকাৰসূচীৰ প্ৰয়োগ কৰোঁতে নিদেৰ্শনা অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ অধ্যয়নকাৰীয়ে লিপিবদ্ধ কৰি গৈছে। গৌণ উৎস হিচাপে অধ্যয়নকাৰীয়ে চাহজনগোষ্ঠীৰ বিষয়ে আৰু স্বাস্থ্যৰ বিষয়ে উল্লেখ থকা বিভিন্ন গ্ৰন্থ, বাতৰিকাকত, আলোচনী আৰু ইণ্টাৰনেটত উপলব্ধ তথ্যৰ সহায় লৈছে।

## ৩.৩ তথ্য বিশ্লেষণ প্ৰণালী (Procedure of analysis of data)

সংগৃহীত তথ্য বিশ্লেষণ কৰিবলৈ নিৰ্ধাৰিত কাৰকৰ ভিত্তিত বৰ্ণনা কৰা হৈছে আৰু সাংখ্যিক গণনাৰ ভিত্তিত সংগৃহীত তথ্যৰ তালিকা প্ৰস্তুত কৰা হৈছে।

## ৩.৪ অধ্যয়নৰ সীমাবদ্ধতা (Limitation of study)

প্ৰকল্পৰ সীমাবদ্ধতাসমূহ হৈছে—

১) প্ৰকল্পৰ অধ্যয়নৰ পৰিসৰ শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাত সীমাবদ্ধ কৰা হৈছে।

২) উক্ত অধ্যয়নত ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিক সকলক সাঙুৰি লোৱা হৈছে।

৩) উক্ত অধ্যয়নৰ সময় হিচাপে ২০২৪ বৰ্ষ নিৰ্ধাৰণ কৰি লোৱা হৈছে।

৪) উক্ত অধ্যয়নৰ উৎস হিচাপে ৰাজমাই চাহ বাগিচাৰ কৰ্মৰত লোকসকলৰ সন্তানৰ স্বাস্থ্য সম্পৰ্কীয় তথ্যকহে সাঙুৰি লোৱা হৈছে।

৫) নমুনা দল হিচাপে ১৮ বছৰ বয়সৰ তলৰ সন্তানৰ মাতৃসকলকহে নিৰ্বাচন কৰা হৈছে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# অধ্যায় — ৪

## ৪.০ ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলৰ নিজ সন্তানৰ প্ৰতি গ্ৰহণ কৰা স্বাস্থ্য যত্ন ব্যৱস্থা সম্পৰ্কে অধ্যয়নৰ ফলাফলৰ উপস্থাপন (Interpritation of result of studies on health care system followed by women worker towards there at Rajmai Tea Garden) ঃ

শিৱসাগৰ জিলাৰ ৰাজমাই চাহ বাগিচাৰ ১০ নং লাইনত কৰ্মৰত মহিলা শ্ৰমিকৰ মাজত যিসকলৰ সন্তানৰ বয়স নৱজাতক পৰ্যায়ৰ পৰা ১৮ বছৰ বয়সৰ তলত তেনে ৪৪ গৰাকী মহিলাক স্বনিৰ্মিত সাক্ষাৎকাৰসূচী প্ৰয়োগ কৰি প্ৰকল্প অধ্যয়ন কৰা হৈছিল। সাক্ষাৎকাৰীসূচীত অন্তৰ্ভুক্ত কৰা ১৬ টা প্ৰশ্নক ৫ টা কাৰকৰ ভিত্তিত বিশ্লেষণ কৰি অধ্যয়নৰ ফলাফল প্ৰস্তুত কৰা হৈছে।

**তালিকা -১ ঃ কৰ্মৰত মাতৃৰ কাৰণে প্ৰস্তুত কৰা সাক্ষাৎকাৰসূচীৰ প্ৰশ্নসমূহ বিভক্ত কৰা কাৰকৰ তালিকা**

| ক্ৰমিক নং | কাৰক | প্ৰশ্নৰ সংখ্যা | প্ৰশ্নৰ ক্ৰমিক সংখ্যা |
|---|---|---|---|
| ১ | স্বাস্থ্য সম্পৰ্কে দৃষ্টিভংগী (Viewpoint alout health) | ৩ | ১,২,৩ |
| ২ | স্বাস্থ্য সুৰক্ষাৰ সজাগতামূলক আচৰণ (Health awareness behaviour) | ৪ | ৩,৪,৫,১৫ |
| ৩ | স্বাস্থ্য যত্ন ব্যৱস্থা (Health care system) | ৪ | ৮,১২,১৩,১৬ |
| ৪ | স্বাস্থ্যৰ প্ৰস্থিতি (Status of Health) | ২ | ৬,৭ |
| ৫ | জীৱন-নিৰ্বাহ অৱস্থা (Living condition) | ৩ | ৯,১০,১১ |

### ৪.১ অধ্যয়নৰ ফলাফল আৰু বিশ্লেষণ (Result and analysis of study) ঃ

অধ্যয়নৰ ফলাফলসমূহ কাৰক অনুযায়ী তলত বিশ্লেষণ কৰা হ'ল ঃ

**ক) স্বাস্থ্য সম্পৰ্কে দৃষ্টিভংগী ঃ** মহিলা শ্ৰমিকসকলে সুস্বাস্থ্য হিচাপে ৰোগমুক্ত সুৰক্ষিত স্বাস্থ্যকে বুজে। শৰীৰৰ কাৰ্যক্ষমতা অটুট থাকিলে আৰু মানসিকভাৱে সমাজৰ সৈতে অভিযোজন কৰিব পৰা অৱস্থাই ভাল স্বাস্থ্যক বুজায়। তেওঁলোকৰ মতে ভাল স্বাস্থ্যৰ ব্যক্তি বা শিশুৰ শৰীৰৰ কোনো অংশতে ৰোগ নাথাকে।

চাহ জনগোষ্ঠীয় মহিলাসকলে সন্তানৰ ৰোগৰ চিকিৎসাৰ কাৰণে এলোপেথিক চিকিৎসা পদ্ধতিক সৰ্বোত্তম বিবেচনা কৰে। নমুনা দলৰ ১০০ শতাংশ মহিলাই বনৌষধি, হোমিঅ'পেথী, আয়ুৰ্বেদিক বা পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ পৰিবৰ্তে এলোপেথিক চিকিৎসা পদ্ধতিৰ সহায় লয়। মহিলাসকলে স্বাস্থ্যৰ প্ৰতি সজাগ হ'বৰ কাৰণে অৱলম্বন কৰা তথ্যৰ উৎসসমূহ তেওঁলোকৰ শতাংশ হাৰৰ ভিত্তিত তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা - ২ঃ মহিলা নমুনা দলৰ স্বাস্থ্য সম্পৰ্কে সজাগ হোৱাৰ উৎসৰ ভিত্তিত শতাংশ হাৰ**

| ক্ৰমিক নং | উৎস | নমুনা দলৰ শতাংশ |
|---|---|---|
| ১ | বাতৰি কাকত | ২০.৪৫ |
| ২ | বৈদ্যুতিক মাধ্যম | ২৫ |
| ৩ | চিকিৎসা স্বাস্থ্যকৰ্মী | ২৯.৫৫ |
| ৪ | স্বাস্থ্য সম্পৰ্কীয় প্ৰচাৰ কাৰ্যসূচী | ২০.২৪ |
| ৫ | মন্তব্য নাই দিয়া | ৪.৭৬ |

উক্ত তালিকাৰ পৰা দেখা গ'ল যে বৰ্তমান যুগত মহিলা সকলে স্বাস্থ্য কৰ্মীৰ উপৰিও বাতৰিকাকত আৰু বৈদ্যুতিক মাধ্যমৰ যোগেদিও বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় খা-খবৰসমূহ ৰাখে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**স্বাস্থ্য সুৰক্ষাৰ সজাগতামূলক আচৰণ ঃ**

প্ৰকল্প অধ্যয়নৰ নমুনা দলৰ ১০০ শতাংশ মহিলাই তেওঁলোকৰ বাগিচা চৌহদত পৰ্যাপ্ত সুবিধাযুক্ত চিকিৎসা কেন্দ্ৰ আছে বুলি জনায়। তেওঁলোকৰ ১০০ শতাংশই নিয়মিতভাৱে স্বাস্থ্যকেন্দ্ৰত সন্তানৰ স্বাস্থ্য পৰীক্ষা কৰায়। সকলোৱে আশাকৰ্মীৰ পৰা নিয়মিত সহায় লাভ কৰে। তেওঁলোকৰ সন্তানে কেতিয়াবা সুস্থ অনুভৱ নকৰিলে তৎক্ষণাৎ ওচৰৰ স্বাস্থ্যকেন্দ্ৰৰ সৈতে যোগাযোগ কৰে। তেওঁলোকে নিজাববীয়াকৈ কোনো পৰম্পৰাগত চিকিৎসা বিধি প্ৰয়োগ নকৰে। ইয়াৰে ২০.৪৫ শতাংশ মহিলা ০-৫ বছৰ বয়সৰ সন্তানৰ মাতৃ।

**গ) স্বাস্থ্য যত্ন ব্যৱস্থা ঃ**

ৰাজমাই চাহ বাগিচাত সাক্ষাৎকাৰসূচী প্ৰয়োগ কৰা মহিলা নমুনা দলৰ ৬১.৩৬ শতাংশ সাক্ষৰ আৰু ৩৮.৬৪ শতাংশ নিৰক্ষৰ। সেয়ে তেওঁলোকৰ মাজত স্বাস্থ্য যত্নৰ প্ৰতি সচেতনতা আৰু তেওঁলোকে গ্ৰহণ কৰা সুব্যৱস্থা সম্পৰ্কে অধ্যয়ন কৰা নিতান্তই প্ৰয়োজন।

**তালিকা ৩ ঃ মহিলাসকলৰ সন্তানে সুস্বাস্থ্য বজাই ৰখাৰ বাবে পালন কৰা অভ্যাস**

| ক্ৰমিক নং | সন্তানৰ অভ্যাস | নমুনা দলৰ শতাংশ হাৰ |
|---|---|---|
| ১ | দৈনিক ব্যায়াম | ২৭.২৭ |
| ২ | বাহিৰত খেলা-ধূলা | ২২.৭৩ |
| ৩ | যোগাসন | ১১.৩৬ |
| ৪ | উপযুক্ত খাদ্য অভ্যাস | ৪.৫৪ |
| ৫ | দৈনিক শাৰীৰিক কাৰ্য অনুশীলন | ০ |
| ৬ | পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা | ৩৪.০৯ |

উক্ত তালিকাৰ পৰা দেখা যায় সৰহসংখ্যক মহিলা অৰ্থাৎ ৩৪.০৯ শতাংশৰ সন্তানে স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি পৰিষ্কাৰকৈ ৰখাত গুৰুত্ব দিয়ে।

কৰ্মৰত মহিলাসকলে সন্তানৰ সুস্বাস্থ্যৰ কাৰণে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেই সন্দৰ্ভত তলৰ তালিকাত দিয়া তথ্যসমূহ পোৱা গ'ল—

**তালিকা -৪ ঃ সন্তানৰ সুস্বাস্থ্যৰ কাৰণে গ্ৰহণ কৰা সাৱধানতা**

| ক্ৰমিক নং | সাৱধানতামূলক ব্যৱস্থা | নমুনা দলৰ শতাংশ হাৰ |
|---|---|---|
| ১ | সেউজীয়া শাক-পাচলি, ফলমূলৰ খাদ্যাভাস | ১০০ |
| ২ | আঁঠুৱা ব্যৱহাৰ | ১০০ |
| ৩ | মোবাইল ফোনৰ ব্যৱহাৰ | ৬৮.১৮ |

উক্ত তালিকাৰ তথ্যৰ পৰা প্ৰমাণিত হয় যে সকলো মহিলা সন্তানৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত সচেতন। ৰাজমাই চাহ বাগিচা চৌহদৰ ভিতৰত মুঠ ৩ খন বিদ্যালয় আছে, তাৰে এখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়। বিদ্যালয়কেইখনত সকলো চৰকাৰী শিক্ষা আঁচনিৰ অধীনত সা-সুবিধা প্ৰদান কৰা হৈছে। নমুনা দলৰ ৭৯.৫৪ শতাংশ মহিলাৰ সন্তানে বৰ্তমান বিদ্যালয়ত পঢ়ি আছে।

**তালিকা-৫ ঃ সন্তানে অধ্যয়ন কৰা বিদ্যালয়ত স্বাস্থ্যৰক্ষাৰ ব্যৱস্থা**

| ক্ৰমিক নং | বিদ্যালয়ত স্বাস্থ্যসেৱা | নমুনা দলৰ শতাংশ হাৰ |
|---|---|---|
| ১ | পৰ্যাপ্ত মধ্যাহ্ন ভোজন | ১০০ |
| ২ | সঠিক পৰিৱেশ | ১০০ |
| ৩ | ভাল ক্ৰীড়াৰ সুবিধা | ১০০ |
| ৪ | স্বাস্থ্য শিবিৰ ভিটামিন আৰু ঔষধৰ যোগান | ১০০ |

Head
Deptt. of Education
H.C.D.G. College, Nitainukhuri

ৰাজমাই চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত নামভৰ্তিৰ পাছত শিক্ষাৰ্থীসকলে দৈনিত হাজিৰালৈ যোৱা বাদ দিছে আৰু ইয়াৰ ফলতশ্ৰেণীত উপস্থিতৰ সংখ্যা বৃদ্ধি পাইছে। বিদ্যালয়ত এক সুস্থ পৰিবেশত ছাত্ৰ-ছাত্ৰীয়ে অন্যান্য সুবিধাৰ লগতে স্বাস্থ্যৰ যতন যেনে— আইৰণ টেবলেট, ঔষধ, বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, শাৰীৰিক শিক্ষা, উপযুক্ত মধ্যাহ্ন ভোজন আদি সুবিধা লাভ কৰিছে।

**সন্তানৰ সুস্বাস্থ্য বজাই ৰখাৰ বাবে লাভ কৰা চৰকাৰী সাহায্য আৰু সেৱা ঃ**

অসমৰ সকলো চাহ বাগানতে জননী মৃত্যুহাৰ হ্ৰাস কৰিবলৈ চাহবাগানৰ স্বাস্থ্যকেন্দ্ৰত জননী সুৰক্ষা আঁচনিৰ অধীনত চলমান মেডিকেল গোটৰ বন্দোবস্ত কৰা হৈছে। এনে মেডিকেল গোটৰ সহায়ত অসংক্ৰমণ ৰোগৰ পূৰ্বপৰীক্ষা আৰু চিকিৎসা, কিশোৰ ৰক্তহীনতাৰ চিকিৎসা, বিনামূলীয়া ঔষধ যোগান, সংক্ৰমিক ৰোগ, মানসিক স্বাস্থ্যৰ চিকিৎসা আৰু কিশোৰৰ ৰোগ সামৰি লোৱা হৈছে। চাহবাগান অঞ্চলত বৃদ্ধি হোৱা ৰোগৰ উচ্চহাৰ আৰু মৃত্যুহাৰ বৃদ্ধি হ্ৰাস কৰিবলৈ শিশুস্বাস্থ্য যত্ন সেৱাৰ যোগান ধৰা, জৰুৰী সেৱাসমূহ আৰু বেমাৰ যত্ন লোৱাৰ ব্যৱস্থা কৰা হৈছে। ৰাজমাই চাহ বাগিচাত অন্য চাহ বাগিচাৰ তুলনাত বানপানীৰ পৰৱৰ্তীকালত বিয়পিপৰা ৰোগৰ প্ৰাদুৰ্ভাৱ কম।

**ঘ) স্বাস্থ্যৰ প্ৰস্থিতি ঃ**

নৱজাতক পৰ্যায়ত মাতৃ আৰু শিশুৰ কিছুমান স্বাস্থ্যজনিত সমস্যা হয় যদিও স্থানীয় চিকিৎসালয়ত চিকিৎসাৰে ৰোগ নিৰাময় কৰিবলৈ সক্ষম হৈছে।

নমুনা দলৰ মহিলাসকলৰ সন্তানে শিশু বা কিশোৰ অৱস্থাত ভোগা ৰোগৰ বিষয়ে তেওঁলোকৰ প্ৰত্যুত্তৰৰ ভিত্তিত মহিলাসকলক তলৰ তালিকাৰ সহায়ত শতাংশ হাৰত দেখুওৱা হৈছে—

**তালিকা-৬ ঃ কৰ্মৰত মহিলা সকলৰ সন্তানে আক্ৰান্ত হোৱা ৰোগৰ শতাংশৰ হাৰ**

| ক্ৰমিক নং | ৰোগ | মহিলাসকলৰ শতাংশ হাৰ |
|---|---|---|
| ১ | কাহ | ৩৪.০৯ |
| ২ | ছালৰ ৰোগ | ২৫ |
| ৩ | ৰক্তহীনতা | ৩১.৮২ |
| ৪ | ভিটামিন 'এ'ৰ অভাৱ | ০ |
| ৫ | শিক্ষণ অক্ষমতা | ০ |
| ৬ | অন্যান্য | ৯.০৯ |

অসমৰ চাহ বাগানসমূহত কিশোৰ ৰক্তহীনতা এক প্ৰধান সমস্যা। বৰ্তমান বিদ্যালয়ত উপস্থিতিৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি হোৱাৰ বাবে আৰু বিভিন্ন স্বাস্থ্যসেৱা উপভোগ কৰিবলৈ পোৱা কাৰণে এনে সংখ্যা কমিছে যদিও সম্পূৰ্ণ নিৰ্মূল হোৱা নাই।

**ঙ) জীৱন নিৰ্বাহ অৱস্থা ঃ**

১০০ নমুনা দলে মন্তব্য প্ৰকাশ কৰে যে তেওঁলোকৰ ঘৰত টিউবৱেল (নলীনাদ) আছে। ১০০ শতাংশ নমুনা দলে খোৱাপানী বিশুদ্ধকৰণ পদ্ধতি হিচাপে পানী উতলাই ব্যৱহাৰ কৰে। ২২.৭৩ শতাংশ মহিলাই পানী ফিল্টাৰ ব্যৱহাৰ কৰে।

ৰাজমাই চাহ বাগানৰ মহিলাসকলে তেওঁলোকৰ সন্তানৰ স্বাস্থ্য ভাল ৰাখিবলৈ ঘৰত উপলব্ধ বা পালন কৰা সুব্যৱস্থা সম্পৰ্কে প্ৰকাশ কৰা মন্তব্যক শতাংশ হাৰত তলৰ তালিকাৰ সহায়েৰে দেখুওৱা হ'ল—

**তালিকা -৭ ঃ সুস্বাস্থ্যৰ কাৰণে সন্তানসকলে ঘৰত পালন কৰা অভ্যাসসমূহ**

| ক্ৰমিক নং | সন্তানৰ অভ্যাস | নমুনা দলৰ শতাংশ হাৰ |
|---|---|---|
| ১ | দৈনিক ঘৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা | ১০০ |
| ২ | সন্তানৰ দৈনিক স্নান অভ্যাস | ৭৯.৫৫ |
| ৩ | চেনিটাৰী অনাময় ব্যৱস্থা | ১০০ |
| ৪ | ঘৰৰ পৰা গোহালি অন্য জীৱ জন্তুৰ চালিৰ দূৰত্বত নিৰ্মাণ | ০ |
| ৫ | ভাতখোৱাৰ পূৰ্বে হাত ধোৱাৰ অভ্যাস | ১০০ |
| ৬ | ৰন্ধাৰ পূৰ্বে ব্যৱহৃত বাচন-বৰ্তন ধোৱাৰ অভ্যাস | ১০০ |

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

৭ নং তালিকাৰ পৰা প্ৰমাণ হয় যে সন্তান সকলৰ কাৰণে ঘৰুৱা পৰিৱেশত যথেষ্ট সাৱধানতা অৱলম্বন কৰিবলৈ লৈছে।

## ৪.২ ৰাজমাই চাহ বাগিচাৰ শিশুৰ কাৰণে চিকিৎসা ব্যৱস্থা (Medical facilities for child at Rajmai Tea Garden) ঃ

ৰাজমাই চাহ বাগিচাৰ বিশাল চৌহদৰ ভিতৰত এখন চিকিৎসালয় (Rajmai Estate Hospital) আছে। চিকিৎসালয়খনত এজন চিকিৎসক, ৩ খন ফাৰ্মাচিষ্ট, ১ জন স্বাস্থ্য সহায়ক, ৪ গৰাকী নাৰ্চ আৰু ৪ গৰাকী নাৰ্চ সহায়ক আছে। ৰাজমাই চাহ বাগিচা চিকিৎসালয়ত ৪২ খন পৰিচৰ্যা শয্যা আছে।

**ক) ৰাজমাই চাহ বাগিচাৰ শ্ৰমিকসকলৰ সন্তানৰ স্বাস্থ্য সুৰক্ষাৰ কাৰণে গ্ৰহণ কৰা সজাগতামূলক ব্যৱস্থা ঃ**

ৰাজমাই চাহ বাগিচা চিকিৎসালয়খনে শ্ৰমিকসকল সন্তানৰ স্বাস্থ্য ৰক্ষাৰ কাৰণে সুদূৰপ্ৰসাৰী প্ৰদক্ষেপ গ্ৰহণ কৰি আহিছে। স্বচ্ছ চাহ বাগান পৰিৱেশ গঢ়ি তুলিবলৈ বিভিন্ন নিয়মাৱলী আৰু অভ্যাস সন্নিবিষ্ট কৰি বেনাৰ প্ৰস্তুত কৰি সকলোৱে দেখা পোৱাকৈ বেৰত আঁৰি দিয়া হৈছে। জলাতংগ ৰোগ, সৰ্পদংশন, মেলেৰীয়া, পুষ্টিহীনতা আদি উদ্ভৱ হোৱাৰ কাৰণ, সজাগতা, পৰিণতি আৰু প্ৰতিৰোধ সম্পৰ্কেও প্ৰয়োজনীয় তথ্য সমৃদ্ধ সংচিত্ৰ বেনাৰ প্ৰদৰ্শন কৰা হৈছে। বায়ুপ্ৰদূষণ হ্ৰাস কৰিবলৈ কৰ্মস্থলীৰ বাবে কিছুমান দৰকাৰী পৰামৰ্শ আগবঢ়োৱা হৈছে। পেলনীয়া দ্ৰব্য চিকিৎসালয় চৌহদ আৰু বাগান বা ঘৰত কেনেদৰে নিষ্কাষণ কৰিব লাগে তাৰ বিজ্ঞানসন্মত নিয়মাৱলী জনাই সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

মাতৃ তথা শিশুৰ স্বাস্থ্যৰ যতনৰ উপলব্ধ সা-সুবিধাসমূহ জৰুৰীকালীন বা ২৪ ঘণ্টাই প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মেলেৰীয়া, যক্ষ্মা, জাপানীজ এনকেফেলাইটিজ আৰু অন্যান্য সংক্ৰামক ৰোগৰ নিৰাময়ৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰি স্বাস্থ্যপুষ্টি সজাগতা সৃষ্টি কৰা হয়। চিকিৎসালয়খনত নৱকজাতকৰ সুৰক্ষাৰ বাবে বিশেষ যতন আৰু টীকাকৰণৰ ব্যৱস্থা উপলব্ধ। ৰক্তহীনতা আৰু ভিটামিন 'এ'ৰ অভাৱত ভোগা শিশুৰ বাবে তৎকালীন চিকিৎসাৰ ব্যৱস্থা কৰা হয়। স্বাস্থ্যজনিত নমুনা পৰীক্ষণৰ ক্ষেত্ৰতো চিকিৎসালয়খনে দায়িত্ব গ্ৰহণ কৰে।

চাহ বাগিচাৰ শ্ৰমিকসকলৰ সন্তানৰ কৈশোৰকালত নিচাযুক্ত দ্ৰব্য সেৱনৰ কু-অভ্যাসৰ পৰা প্ৰতিৰোধ কৰি এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ চিকিৎসালয়খনে নিচা সেৱন কৰা লক্ষণ চিনাক্তকৰণৰ উপায় আৰু ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে সচেতনতা অৱলম্বন কৰে।

**খ) ৰাজমাই চাহ বাগিচা চিকিৎসালয়ত শিশুৰ কাৰণে উপলব্ধ চিকিৎসা সুবিধা ঃ**

ৰাজমাই চাহ বাগিচাত থকা চিকিৎসালয়খনত শিশুৰ কাৰণে ৬ খন পৰিচৰ্যা বিচনাসহ সুকীয়াকৈ শিশু কোঠা (Children Ward) উপলব্ধ আছে। তদুপৰি শিশু জন্মৰ সুবিধা, নৱজাতকৰ সুৰক্ষাৰ কাৰণে বিশেষ যতন সেৱা আৰু নৱজাতক ঠাণ্ডা পৰি গ'লে তথা মূৰ্চা গ'লে ল'বলগীয়া যতনৰ সুবিধা আছে। চিকিৎসালয়খনত শিশুৰ কাৰণে নিৰ্ধাৰিত সকলোধৰণৰ চৰকাৰী টীকা প্ৰদান কৰা হয়। শিশু-মাতৃৰ কাৰণেও জননী সুৰক্ষা যোজনা আৰু স্বাস্থ্য ও পৰিয়াল পৰিকল্পনাৰ অধীনত সুবিধা আগবঢ়োৱা হয়। চিকিৎসালয়খনত ৰেফাৰেল সেৱাৰ ব্যৱস্থাও আছে। ৰোগীৰ অত্যাধিক অসুখ হ'লে কাষৰীয়া বিশেষ সুবিধাযুক্ত চিকিৎসালয়লৈ পঠিয়াই দিয়া হয়। 'জননী শিশু স্বাস্থ্য কাৰ্যক্ৰম' আঁচনিৰ অধীনত প্ৰসূতি মাতৃৰ যাতায়ত, পৰীক্ষা-নিৰীক্ষা আৰু চিকিৎসা সেৱা বিনামূলীয়াকৈ প্ৰদান কৰা হয়। তেওঁলোকে উপলব্ধ ঔষধৰ বিষয়ে বাগিচাবাসীক তথ্য প্ৰদান কৰে।

**গ) ৰাজমাই চাহ বাগিচা চিকিৎসালয়ৰ বাদিচাৰ বসতি প্ৰধান অঞ্চলত গ্ৰহণ কৰা স্বাস্থ্য সুৰক্ষাজনিত প্ৰদক্ষেপ ঃ**

চিকিৎসালয়ৰ তৰফৰ পৰা বাগিচাৰ বসতিপ্ৰধান অঞ্চলত গ্ৰীষ্মকালি আবেলি সময়ত ম'হ খেদা দৰৱ ছটিয়াই দিয়া হয়। স্বাস্থ্য সুৰক্ষাৰ কাৰণে চিকিৎসালয় কৰ্মীয়ে সজাগতামূলক কাৰ্যসূচী প্ৰচাৰ কৰে। স্বচ্ছ চাহবাগান পৰিৱেশ গঢ়ি তুলিবৰ কাৰণে নলা-নৰ্দমা পৰিষ্কাৰ ৰাখিবলৈ, পৰিষ্কাৰকৈ হাত ধোৱা পদ্ধতি অৱলম্বন কৰিবলৈ, খোৱাপানী বিশুদ্ধ ৰাখিবলৈ, নখ কাটিবলৈ বা মুখ ঢাকি হাঁচিয়াবলৈ আৰু কাঁহিবলৈ আদি সু-অভ্যাস গঠনত গুৰুত্ব দি সজাগ কৰা হয়।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# অধ্যায় — ৫

## ৫.০ অধ্যয়নৰ ফলাফল (Finding of the study)ঃ

প্ৰকল্প অধ্যয়নৰ সংগৃহীত তথ্য বিশ্লেষণৰ পাছত অধ্যয়নকাৰী নিম্নোক্ত ফলাফলত উপনীত হয়—

ক) ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলৰ সুস্বাস্থ্য সম্পৰ্কে ধাৰণা ইতিবাচক আৰু গঠনমূলক। তেওঁলোকে চিকিৎসালয় চিকিৎসা ব্যৱস্থাক অধিক মানি চলে।

খ) ৰাজমাই চাহ বাগিচাত কৰ্মৰত মহিলা শ্ৰমিকসকলে চৌহদত অৱস্থিত স্বাস্থ্যকেন্দ্ৰত সকলোধৰণৰ চিকিৎসাসেৱা লাভ কৰিছে।

গ) অধ্যয়নত সাঙুৰি লোৱা শ্ৰমিক মহিলাসকল অল্প সাক্ষৰ যদিও সন্তানৰ স্বাস্থ্য ভালে ৰাখিবলৈ তেওঁলোকে বিজ্ঞানসন্মত স্বাস্থ্য যতন ব্যৱস্থা গ্ৰহণ কৰে।

ঘ) মহিলাসকল সন্তান কিছুমান ৰোগ যেনে— কাহ, ছালৰ ৰোগ, ৰক্তহীনতা আদিত ভোগে। তেওঁলোক স্বাস্থ্যকৰ্মীৰ সৈতে যোগাযোগ কৰি ৰোগ নিৰাময়ৰ ব্যৱস্থা গ্ৰহণ কৰে।

ঙ) চাহ বাগিচাৰ কৰ্মীসকলে প্ৰতিঘৰতে চৰকাৰী অনুদানপ্ৰাপ্ত গভীৰ নলীনাদৰ ব্যৱস্থা আছে। সকলো বিশুদ্ধ পানীৰ ব্যৱস্থা সন্দৰ্ভত জ্ঞাত আৰু ঘৰত সন্তানৰ ভাল স্বাস্থ্য যতনৰ কাৰণে দৈনিক ঘৰ পৰিষ্কাৰ কৰা, ৰন্ধাৰ পূৰ্বে বাচন ধোৱা, দৈনিক স্নান কৰা, চেনিটাৰী অনাময় ব্যৱস্থা কৰা, হাত ধোৱা, ঔষধ সেৱন কৰা, আঁঠুৱা ব্যৱহাৰ কৰা আদি ভাল অভ্যাসসমূহ পৰিয়ালৰ সদস্যাসকলে পালন কৰে।

চ) ৰাজমাই চাহ বাগিচাৰ স্বাস্থ্যকেন্দ্ৰত চৰকাৰী স্বাস্থ্য আঁচনি ৰূপায়ণৰ উপৰিও শিশুৰ কাৰণে সংক্ৰমণ আৰু অসংক্ৰমণ ৰোগৰ চিকিৎসাৰ ব্যৱস্থা আছে। চিকিৎসালয়ত পিতৃ-মাতৃৰ সজাগতাৰ কাৰণে বিভিন্ন ধৰণৰ স্বাস্থ্য সজাগতা ফলক যেনে— জলাতংক ৰোগ, নিচামুক্তি, যক্ষ্মা, মেলেৰীয়া আদিৰ বিষয়ে প্ৰচাৰ কৰা হৈছে।

## ৫.১ সামৰণি (Conclusion)

ৰাষ্ট্ৰসংঘৰ শিশু অধিকাৰ চুক্তি, ১৯৮৯ (United Nations Convention on Rights of Child)-ৰ মতে এজন শিশু বুলিলে ১৮ বছৰ বয়সৰ সম্পূৰ্ণ নকৰা সকলো ব্যক্তিক বুজায়। ভাৰতৰ শিশু শ্ৰমিক আইন, ১৯৮৬ ৰ মতে ১৪ বছৰ বয়সৰ তলৰ ব্যক্তিক শিশু হিচাপে অভিহিত কৰা হৈছে। শিশুৰ সুস্থ বিকাশৰ ওপৰত এখন সমাজৰ ভৱিষ্যত প্ৰগতি নিৰ্ভৰ কৰিছে। শিশুসকল বিভিন্ন সমস্যা যেনে— দৰিদ্ৰতা, উপযুক্ত স্বাস্থ্য যতন, পৰিপুষ্টি, বিশুদ্ধ খোৱাপানী, নিৰাপদ ঘৰ আৰু পৰিৱেশীয় প্ৰদূষণৰ সন্মুখীন হয়। সেয়ে তেওঁলোকৰ সুস্থ শাৰীৰিক, মানসিক, আবেগিক আৰু সামাজিক বিকাশৰ কাৰণে এক নিৰাপদ পৰিৱেশ গঢ়ি তোলাটো অতি আৱশ্যক। অসমৰ চাহ জনগোষ্ঠী লোকসকলে ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ২০ শতাংশ আগুৰি আছে। তেওঁলোক শিক্ষা আৰু সামাজিকভাৱে পিছপৰি আছে। সাম্প্ৰতিককালত উঠি অহা শিশু তথা কিশোৰৰ মনত বিভিন্ন প্ৰত্যাহ্বানৰ প্ৰশ্ন থাকে। গতিকে চাহ বাগিচা অঞ্চলত বিশেষ শৈক্ষিক যত্ন লোৱাত চৰকাৰেও সুদূৰপ্ৰসাৰী প্ৰদক্ষেপ লৈছে। কথাতে কোৱা হয় 'দেহা থাকিলেহে বেহা'। সেয়ে চাহবাগানৰ লোকসকলৰ সন্তানক স্বাস্থ্যৰ প্ৰতি বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংশ হিচাপে যথোপযুক্ত যত্ন লোৱা উচিত।

17/05/24

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গগৈ, ড° লীলা ঃ অসমৰ সংস্কৃতি, বনলতা, ডিব্ৰুগড়, ২০১১ (৮ম সংস্কৰণ), পৃষ্ঠা ১৭১-১৭৫
বৰা, অঞ্জন কুমাৰ ঃ স্বাস্থ্য আৰু সুস্থতা, সৰস্বতী প্ৰকাশন, গোলাঘাট, ২০২৩
চলিহা, ড° বেদ, তৰুণ শইকীয়া, কণু বৰা শইকীয়া ঃ স্বাস্থ্য আৰু সুস্থতা, বনলতা, ডিব্ৰুগড়, ২০২৩

# পৰিশিষ্ট- ১ ঃ কৰ্মৰত মাতৃৰ কাৰণে সাক্ষাৎকাৰসূচী

নিৰ্দেশনা: অনুগ্ৰহ কৰি উপযুক্ত বিকল্পত পছন্দ কৰক। আপুনি এটাতকৈ অধিক বিকল্প পছন্দ কৰক কৰিব পাৰে।

A. সাধাৰণ তথ্য:

(a) উত্তৰ দাতাৰ নাম :

(b) স্থান/গাঁৱৰ নাম :

(C) পৰিয়ালৰ প্ৰকাৰ : (i) যৌথ পৰিয়াল ☐ (ii) একক পৰিয়াল ☐

(d) পৰিয়ালৰ সদস্যৰ সংখ্যা: (i) 1-4 (সৰু) ☐ (ii) 5-8 (মধ্যম) ☐ (iii) ৪তকৈ অধিক (বৃহৎ) ☐

(e) শিশুৰ সংখ্যা: (i) 1 ☐ (ii) 2 ☐ (iii) ৩ বা তাতকৈ অধিক ☐

(f) শিশুৰ বয়স: (i) 0-5 ☐ (ii) 5-12 ☐ (iii) 12-18 ☐

(g) শিক্ষাগত অৰ্হতা: (i) প্ৰাথমিক ☐ (ii)মাধ্যমিক ☐ (iii) উচ্চ মাধ্যমিক ☐ (iv) নিৰক্ষৰ ☐

B. বিষয়বস্তু সম্পৰ্কীয় তথ্য:

(1) আপোনাৰ দৃষ্টিভংগীত সুস্বাস্থ্যৰ অৰ্থ কি?

(2) আপুনি আপোনাৰ সন্তানৰ বাবে কি ধৰণৰ চিকিৎসা সৰ্বোত্তম বুলি ভাবে?

(i) বনৌষধি ☐ (ii) হোমিঅ'পেথী ☐ (iii) এলোপেথিক ☐ (iv) আয়ুৰ্বেদিক ☐ (v) পৰম্পৰাগত ☐

(3) আপোনাৰ বাসস্থানত পৰ্যাপ্ত সুবিধা থকা স্বাস্থ্য কেন্দ্ৰ আছেনে? (i) আছে ☐ (ii) নাই ☐

(4) আপুনি নিয়মিতভাৱে আপোনাৰ অঞ্চলত অৱস্থিত স্বাস্থ্য কেন্দ্ৰত আপোনাৰ শিশুৰ স্বাস্থ্য পৰীক্ষা কৰেনে?

(i) কৰোঁ ☐ (ii) নকৰোঁ ☐

(5) আশা কৰ্মীৰ পৰা সেৱা পাইছেনে? (i) মই পাইছো ☐ (ii) পোৱা নাই ☐

(6) নৱজাতকৰ পৰ্যায়ত মাতৃ আৰু শিশুৰ কোনো স্বাস্থ্যজনিত সমস্যা হয়নে? (i) হয় ☐ (ii) নাই হয় ☐

(7) আপোনাৰ সন্তানে তলত উল্লেখ কৰা কোনো ৰোগত ভুগিছে নেকি?

(i) কাহ ☐ (ii) ছালৰ ৰোগ ☐ (iii) ৰক্তহীনতা ☐ (iv) ভিটামিন এৰ অভাৱ ☐

(v) শিকন অক্ষমতা ☐ (vi) অন্যান্য ..........................................................................

(8) আপোনাৰ সন্তানে সুস্বাস্থ্য বজাই ৰখাৰ বাবে তলত দিয়া অভ্যাসসমূহ কৰেনে ? (কৈশোৰ কালৰ বাবে)

(i) দৈনিক ব্যায়াম ☐ (ii) খেলা-ধূলা ☐ (iii) যোগাসন ☐ (iv) উপযুক্ত খাদ্য অভ্যাস ☐

(v) দৈনিক শাৰীৰিক কাৰ্য্যকলাপ অনুশীলন ☐ (vi) পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা ☐

(9) খোৱাপানীৰ উৎস: (i) টিউবৱেল ☐ (ii) কুঁৱা ☐ (iii) পুখুৰী ☐

(iv) চৰকাৰী পানীযোগান আঁচনি ☐

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

(10) খোৱাপানী বিশুদ্ধ কৰাৰ পদ্ধতি: (i) উতলোৱা ☐ (ii) পানী ফিল্টাৰ ☐

(iii) কাপোৰ বা বালিৰে চেকি লোৱা ☐ (iv) বৈদ্যুতিক উপায়েৰে পানী বিশুদ্ধকৰণ ☐

(v) আন যিকোনো উপায়........................................................................ (vi) একো নাই ☐

(11) আপুনি আপোনাৰ সন্তানৰ সুস্বাস্থ্য ৰক্ষাৰ বাবে তলত দিয়া কি ধৰণৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ব্যৱস্থা মানি চলে?

(i) দৈনিক ঘৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ☐ (ii) সন্তানৰ দৈনিক স্নান অভ্যাস ☐

(iii) চেনিটেৰী অনাময় ব্যৱস্থা ☐ (iv) ঘৰৰ পৰা গৰুৰ গোহালি /গাহৰিৰ চালিৰ দূৰত্বত নিৰ্মাণ ☐

(v) খাদ্য খোৱাৰ আগতে হাত ধোৱাৰ অভ্যাস ☐ (vi) ৰন্ধাৰ আগতে ৰন্ধা-বঢ়াত ব্যৱহাৰ কৰা বাচন-বৰ্তন ধোৱা ☐

(12) আপুনি আপোনাৰ সন্তানৰ সুস্বাস্থ্যৰ বাবে তলত উল্লেখ কৰা সাৱধানতাসমূহ গ্ৰহণ কৰিছেনে?

(i) সেউজীয়া শাক-পাচলি আৰু ফলৰ খাদ্য অভ্যাস ☐ (ii) আঁঠুৱা ব্যৱহাৰ ☐

(iii) মোবাইল ফোনৰ সীমিত ব্যৱহাৰ ☐

(13) আপোনাৰ সন্তানে স্কুলত স্বাস্থ্য সচেতনতাৰ পদক্ষেপ পায়নে?

(i) পৰ্যাপ্ত মধ্যাহ্ন ভোজন আহাৰ ☐ (ii) সঠিক পৰিৱেশ ☐

(iii) ভাল ক্ৰীড়াৰ সুবিধা ☐ (iv) স্বাস্থ্য শিবিৰৰ সুবিধা/ভিটামিন আৰু ঔষধৰ যোগান ☐

(14) কোনটো উৎসৰ পৰা আপুনি স্বাস্থ্য সচেতন হৈ পৰে? ☐

(i) বাতৰি কাকতৰ দ্বাৰা ☐ (ii) বৈদ্যুতিক মাধ্যমৰ দ্বাৰা ☐

(iii) চিকিৎসা স্বাস্থ্য কৰ্মীৰ দ্বাৰা ☐ (iv) স্বাস্থ্য সম্পৰ্কীয় প্ৰচাৰ কাৰ্যসূচীৰ দ্বাৰা ☐

(15) যেতিয়া আপোনাৰ সন্তানে সুস্থ অনুভৱ নকৰে তেতিয়া আপুনি কি ব্যৱস্থা গ্ৰহণ কৰে?

..........................................................................................................................

(16) আপোনাৰ সন্তানৰ সুস্বাস্থ্য বজাই ৰখাৰ বাবে আপুনি কেনেধৰণৰ চৰকাৰী সেৱা আৰু সাহায্য পায়?

..........................................................................................................................

উত্তৰ দাতাৰ স্বাক্ষৰ

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

পৰিশিষ্ট- ২ ঃ চিকিৎসা কৰ্মীৰ কাৰণে সাক্ষাৎকাৰসূচী ঃ

১) ৰাজমাই চাহ বাগিচাৰ শ্ৰমিকসকলৰ সন্তানৰ স্বাস্থ্য সুৰক্ষাৰ কাৰণে চিকিৎসালয়খনৰ তৰফৰ পৰা কি কি সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

২) ৰাজমাই চাহ বাগিচা চিকিৎসালয়ত শিশুৰোগীৰ কাৰণে কেনেধৰণৰ চিকিৎসা সুবিধা উপলব্ধ?

৩) ৰাজমাই চাহ বাগিচাৰ বসতিপ্ৰধান এলেকাত স্বাস্থ্য সুৰক্ষাৰ কাৰণে শিশু আৰু কিশোৰৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসালয়খনে কেনেধৰণৰ প্ৰদক্ষেপ লৈছে?


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# আলোকচিত্র
















Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri